# 2017

## ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথমখন চুটিগল্প সংকলনৰ নাম কি?

(খ) প্ৰথম অসমীয়া চুটিগল্পটো ক'ত প্ৰকাশিত হৈছিল?

(গ) 'আৱাহন' কাকতৰ প্ৰতিষ্ঠাতা কোন?

(ঘ) কোনটো যুগত অসমীয়া চুটিগল্পই নতুন ৰূপ লাভ কৰে?

(ঙ) লক্ষ্মীনাথ ফুকনৰ এখন গল্প সংকলনৰ নাম লিখা।

(চ) বিভূতি হাজৰিকাৰ বোৱাৰীয়েকৰ নাম কি?

(ছ) মিছেছ ফিল্ডৰ ড্ৰয়িং ৰূমৰ বেৰত কাৰ ছবি আঁৰি থোৱা আছিল?

(জ) ৰজনীকান্ত বৰদলৈৰ প্ৰথমখন উপন্যাসৰ নাম লিখা।

(ঝ) 'নিৰ্মল ভকত' কোন শ্ৰেণীৰ উপন্যাস?

(ঞ) ইংৰাজ কবি টেনিছনৰ কোন কবিতাৰ ছাঁ 'নিৰ্মল ভকত'ৰ কাহিনীভাগত আছে?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) গংগাৰামৰ পুতেক আৰু জীয়েকৰ নাম দুটা কি কি?

(খ) মিছেছ ফিল্ডে বাগিচাৰ বনুৱাৰ ল'ৰাবোৰক কি শিকাইছিল আৰু কেইদিন শিকাইছিল?

(গ) 'ডাক্তৰ' গল্পত থকা সেউতী দুৱৰাৰ ঘৰ ক'ত? কল্যাণপুৰলৈ তেওঁ কাক বেমাৰ দেখুৱাবলৈ আহিছিল?

(ঘ) "ল'ৰা-ছোৱালীৰ বস্তুবিলাকো উলিয়াব লাগিব।" কোনে, কাক এনেদৰে কৈছিল?

(ঙ) 'নিৰ্মল ভকত' উপন্যাসৰ ত্ৰিভুজাকৃতিৰ প্ৰেম কাহিনীটোৰ চৰিত্ৰকেইটাৰ নাম লিখা।

৩। চমু উত্তৰ দিয়া (যি কোনো তিনিটা) : ৫×৩=১৫

(ক) অসমীয়া চুটিগল্পৰ উৎপত্তি সম্পৰ্কে লিখা।

(খ) 'ধোঁৱাখোৱা' গল্পৰ গংগাৰাম ডাঙৰীয়াৰ বিষয়ে কি জানা, লিখা।

(গ) 'ভাগ বাটোৱাৰা' গল্পৰ দুই ভায়েকৰ নাম কি? তেওঁলোকৰ মাজৰ সম্পৰ্ক কেনেকুৱা?

(ঘ) 'ডাক্তৰ' গল্পৰ মূল চৰিত্ৰটোৰ বিষয়ে লিখা।

(ঙ) 'অৱগাহন' গল্পৰ মিছেছ্ ফিল্ডৰ ঘৰৰ পৰিবেশ সম্পৰ্কে লিখা।

(চ) ঐতিহাসিক উপন্যাসৰ বৈশিষ্ট্যসমূহ লিখা।

৪। (ক) 'ধোঁৱাখোৱা' গল্পটোৰ কাহিনীভাগ তোমাৰ ভাষাত লিখা। ১০

*অথবা*

'ভাগ বাটোৱাৰা' গল্পৰ জৰিয়তে সমকালীন অসমীয়া সমাজৰ প্ৰতিচ্ছবি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(খ) 'ডাক্তৰ' গল্পটোত চিত্ৰিত ডাক্তৰকেইজনৰ বিষয়ে এটি আলোচনা দাঙি ধৰা। ১০

*অথবা*

'অৱগাহন' গল্পৰ মূল চৰিত্ৰটোৰ নাম কি? চৰিত্ৰটোৰ বিষয়ে কি জানা, লিখা।

(গ) ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বিশেষত্বসমূহ লিখি অসমীয়া উপন্যাস-সাহিত্যত বৰদলৈৰ স্থান নিৰূপণ কৰা। ১০

*অথবা*

'নিৰ্মল ভকত' উপন্যাসত সমসাময়িক অসমীয়া সমাজখন কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

৫। তলত উল্লেখ কৰা যি কোনো এটা বিষয় লৈ এখনি ৰচনা লিখা : ১৫

(ক) অসমত অনুপ্ৰৱেশৰ সমস্যা

(খ) দুৰ্নীতি আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়

(গ) বিশ্বকাপ ফুটবল

(ঘ) অসমৰ বানপানী সমস্যা

★★★